জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৭৬/২০২০

# সদৌ অসম কৰ্মচাৰী পৰিষদৰ সৈতে ৰাজ্য চৰকাৰৰ আলোচনা

## ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে চৰকাৰী আঁচনিসমূহ ৰূপায়ণৰ দিশত নিষ্ঠা সহকাৰে সহযোগিতা আগবঢ়াই আহিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ নৱেম্বৰ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ সৈতে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰী কাৰ্যালয়ৰ সভাগৃহত ৰাজ্য চৰকাৰৰ এক বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত অনুষ্ঠিত এই বৈঠকত সদৌ অসম কৰ্মচাৰী পৰিষদৰ বিভিন্ন দাবীৰ সম্পৰ্কত বিতংভাৱে আলোচনা কৰা হয়।

বৈঠকত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সকলো আঁচনি ৰূপায়ণত কৰ্মচাৰীসকলে নিষ্ঠাৰে সহযোগিতা আগবঢ়াই আহিছে। সকলো সময়তে যাতে কাৰ্যালয়ত কৰ্ম সংস্কৃতি অব্যাহত থাকে সেই দিশত সকলোৱে গুৰুত্ব আৰোপ কৰিব লাগিব বুলি তেওঁ কয়। তেওঁ লগতে কয় যে কৰ্মচাৰীসকলৰ  ন্যায্য দাবী ৰূপায়ণৰ দায়িত্ব ৰাজ্য চৰকাৰৰ আছে আৰু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কৰ্মচাৰীসকলৰ দাবীক ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰি সমস্যাসমূহ সমাধানৰ বাবে প্ৰয়াস চলাই আহিছে। মুখ্যমন্ত্ৰীয়ে প্ৰতিটো কাৰ্যালয়ৰ বিষয়া আৰু কৰ্মচাৰীসকলক দায়বদ্ধতা আৰু নিষ্ঠাৰে জনসাধাৰণলৈ সেৱা আগবঢ়াবলৈ আহ্বান জনায়। বৈঠকত মুখ্যমন্ত্ৰীয়ে অৱসৰকালীন গ্ৰেচুইটিৰ বিষয়টো ক্ষিপ্ৰভাৱে নিষ্পত্তি কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ দিয়ে।

বৈঠকত বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৌ অসম কৰ্মচাৰী পৰিষদৰ দাবীসমূহ মীমাংসা কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে।

আজিৰ এই বৈঠকত স্বাস্থ্য বীমা, নতুন পেঞ্চন আঁচনি, শিক্ষকৰ আৰ্জিত চুটি, ক্ষেত্ৰ পৰ্যায়ৰ কৰ্মচাৰীসকলৰ নিৰ্দ্ধাৰিত  ভ্ৰমণ বানচ ইত্যাদিকে ধৰি সদৌ অসম কৰ্মচাৰী পৰিষদৰ বিভিন্ন দাবীৰ সম্পৰ্কত বিতংভাৱে আলোচনা কৰাৰ উপৰি এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ ওপৰতো আলোচনা কৰা হয়। সদৌ অসম কৰ্মচাৰী পৰিষদৰ মুখ্য উপদেষ্টা বাসৱ চন্দ্ৰ কলিতাই তেওঁলোকৰ দাবীসমূহ ৰাজ্য চৰকাৰক অৱগত কৰে।

আজিৰ এই বৈঠকত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন বৰঠাকুৰ, অতিৰিক্ত মুখ্য সচিব ভি এছ ভাস্কৰ, বিত্ত বিভাগৰ প্ৰধান সচিব সমীৰ সিনহাকে ধৰি অন্যান্য জ্যেষ্ঠ বিষয়াসকলৰ উপৰি সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি প্ৰদীপ দত্ত, সম্পাদক প্ৰধান মৃণাল দাস সহ কৰ্ণধাৰ সমিতিৰ ২২ গৰাকী সদস্য উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**২১/১১/২০২০**